**বিদ্যালয় আৰু শ্ৰেণীকোঠাৰ শিক্ষণ শিকন প্ৰক্ৰিয়াৰ ৰূপান্তৰকৰণত বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ ভূমিকা (Role of Principal for Transforming School and Teaching Learning Process**)


মঞ্জু ফুকন
উপ সঞ্চালক
ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ,
অসম


**প্ৰস্তাৱনাঃ (Introduction):**

শিক্ষকসকল হৈছে শিক্ষা ব্যৱস্থাৰ মেৰুদণ্ড স্বৰূপ। দেখা গৈছে যে আজিৰ শিক্ষাৰ্থীৰ প্ৰত্যাশাসমূহ পূৰ কৰিবলৈ শিক্ষকসকলে বহুতো নতুন কৌশল আৰু দক্ষতা আহৰণ কৰাৰ প্ৰযোজনীয়তা আহি পৰিছে।

বিদ্যালয় এখনৰ সফলতা নিয়োজিত শিক্ষকসকলে নিৰ্দিষ্ট কাম আৰু দায়িত্ব দেখুওৱা মান (Performance Standard) ত প্ৰতিফলিত হয় । বিদ্যালয়ৰ আন্তঃগাঁথনিৰ সদ্ ব্যৱহাৰ, শিক্ষকসকলে প্ৰস্তুত কৰি লোৱা শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপ (activity) আৰু শিক্ষাৰ্থীৰ সকলো দিশৰ সঠিক মূল্যায়নৰ ওপৰত এখন বিদ্যালয়ৰ সাফল্য নিৰ্ভৰ কৰে। এই ফলাফলত শ্ৰেণীকোঠাৰ বাহিৰে নানান অভিজ্ঞতাও সন্নিবিষ্ট হৈ থাকে। শিক্ষাৰ্থীৰ বয়স, মনো-সামাজিক (Psycho-Social) পৰিপক্কতাক ভিত্তি কৰি বিদ্যালয়ৰ পৰিৱেশত নানান ক্ৰিয়া কলাপত যোগেদি অভিজ্ঞতামূলক শিকন (Experiential Learning) ৰ ব্যৱস্থা কৰাটো অতি গুৰুত্বপুৰ্ণ। এনে শিক্ষাত শিক্ষাৰ্থীয়ে নিজে অংশগ্ৰহণ কৰি শিকন আহৰণ কৰাৰ সুবিধা লাভ কৰে। সেয়েহে, শিক্ষাৰ্থীয়ে বিষয় বস্তুৰ ধাৰণাৰ উপৰি আন বহুতো সামাজিক কৌশল আয়ত্ত কৰাত সহায় কৰিবলৈ বিদ্যালয়ৰ প্ৰধানজনৰ উদ্ভাৱনীমূলক দক্ষতা থকাটো অতি প্ৰয়োজনীয়।

তদুপৰি বিদ্যালয়ৰ বহু-সাংস্কৃতিক শ্ৰেণীকোঠা (Multicultural Class), বিশেষভাৱে প্ৰয়োজনীয় কৰা শিশুক একত্ৰীকৰণ, শিক্ষণ-শিকন প্ৰক্ৰিয়াত কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তি (ICT)ৰ ব্যৱহাৰ, শিক্ষাৰ্থীৰ তথ্য ৩৬০ ডিগ্ৰী মূল্যায়ন, শিক্ষাৰ্থীৰ একবিংশ শতিকাৰ কৌশল(21st Century Skills) আহৰনকে ধৰি নানান দিশত শিক্ষকসকল সদা প্ৰস্তুত হৈ থকাতো বাঞ্চনীয়। শিক্ষকসকলৰ পাৰদৰ্শিতা, বিষয়ৰ জ্ঞান, শিকনৰ বাবে অনুকূল পৰিৱেশ সূচনা কৰাতেই শিক্ষাৰ্থীৰ শিকন ফলাফল নিৰ্ভৰ কৰে।

এই মডিয়ুলটিত বিদ্যালয় আৰু শ্ৰেণীকোঠাৰ ফলপ্ৰসূভাবে ৰূপান্তৰ কৰিবলৈ বিদ্যালয়ৰ প্ৰধান সকলক প্ৰয়োজনীয় ধাৰণা আৰু দক্ষতা প্ৰদান কৰিব। শ্ৰেণীকোঠাত শিক্ষণ ব্যৱস্থালৈ নতুনত্ব আনিবলৈ উৎসাহী কৰি তুলিব। লগতে বিদ্যালয়ৰ প্ৰধান হিচাপে নিজকে জুখি চাবলৈ সহায় কৰিব।

**মডিয়ুলৰ উদ্দেশ্যঃ (Objectives of the Module)**

1. প্ৰত্যাশিত ভূমিকা আৰু দায়িত্ব পালনত অধ্যক্ষ হিচাপে নিজৰ কৃতকাৰ্যতা অনুধাৱন কৰা।

2. শ্ৰেণীকোঠাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া আৰু বিদ্যালয়ৰ সম্পৰ্কীয় অন্যান্য ক্ৰিয়া-কলাপ আয়োজন কৰাত শিক্ষকসকলৰ দক্ষতা বৃদ্ধি কৰা আৰু এইক্ষেত্ৰত নেতৃত্ব (Leadership) বহন কৰাত সহায় কৰা।
3. বিদ্যালয়ৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত নতুনত্ব অনাৰ ক্ষেত্ৰত থকা সম্ভাৱনীয়তা আৰু প্ৰত্যাহ্বানসমূহ (Strengths & Challenges) চিনাক্তকৰণ কৰা।
4. অধ্যক্ষ হিচাপে বিদ্যালয়ৰ নিয়োজিত শিক্ষকসকলৰ ধাৰাবাহিক বৃত্তিগত বিকাশ (Continuous Professional Development)ৰ প্ৰয়োজনীয়তা অনুধাৱন কৰা।

**মূল শব্দসমূহঃ(Key words used)**

বহু-সাংস্কৃতিক শ্ৰেণীকোঠা (Multi-Cultural Class), শিকন শৈলী ( Learning Style), শিক্ষণ কৌশল (Teaching Strategy), একবিংশ শতিকা কৌশল (21st Century Skills), প্ৰদৰ্শন মান (Performance Standard), শিকন ফলাফল (Learning Outcome), সৰ্বাত্মক শিক্ষা (Inclusive Education), মনো-সামাজিক (Psycho-Social), নেতৃত্ব (Leadership ), বৃত্তিগত বিকাশ (Professional Development)

**ক্ৰিয়া-কলাপঃ কলাৰ (চিত্ৰাংকন) ৰ জৰিয়তে শিক্ষা দান (Teaching through Story Telling )**

**পৰিস্থিতি অধ্যয়ন (Case study)**

1. কাহিনীৰ নাম "**কবিতাৰ চিত্ৰাংকনত সাধুৱে প্ৰাণ পাই উঠিল",**
2. **কবিতাই অংকন কৰা সাধুৰ ফটো।**

**কাহিনী অধ্যয়নঃ(Read the Story-Observation Method)**

**কবিতাৰ চিত্ৰাংকনত সাধুৱে প্ৰাণ পাই উঠিল**

**কবিতা কৰ্মকাৰ** চৰকাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ সপ্তম শ্ৰেণী ছাত্ৰী। তাইৰ ঘৰ বিদ্যালয় সমীপৰ চাহ বাগিছা এখনত । অমায়িক স্বভাৱৰ কবিতাই ছবি আঁকি ভাল পায়। সপ্তম শ্ৰেণী অসমীয়া শিক্ষয়িত্ৰী গৰাকীয়ে মন কৰিলে যে অসমীয়া বিষয়ৰ পঠন, কথন আৰু লিখনত কবিতা আন ছাত্ৰ-ছাত্ৰীতকৈ পিছপৰা। সেয়েহে শিক্ষয়িত্ৰীগৰাকীয়ে কবিতাক বিশেষভাবে যত্নলোৱাৰ সিদ্ধান্ত কৰিলে। তাইক অনুপ্ৰাণিত কৰিবৰ বাবে শিক্ষয়িত্ৰীগৰাকীয়ে কবিতাৰ ঘৰুৱা ভাষা দুই এটা শব্দ শিকি ললে। আৰু তাইক কলে যে পঢ়া আয়ত্ত কৰাটো বহুত কঠিন কাম নহয়। শিক্ষয়িত্ৰীগৰাকীয়ে আদৰ্শ পঠনেৰে তাইক সাধু, বাতৰি কাকত আদি পঢ়ি শুনালে। লাহে লাহে ছবিৰ সহায়ত তাইক সাধু লিখিবলৈ অনুপ্ৰাণিত কৰিলে। ছবি আঁকি ভালপোৱা কবিতাই ছবিৰ সহায়ত সাধু লিখিবলৈ আৰম্ভ কৰিলে আৰু কিছুদিন অতিবাহিত কৰাৰ পাছত শিক্ষয়িত্ৰীয়ে মন কৰিলে যে, কবিতাৰ লিখনিত ভুলৰ সংখ্যা কমি আহিছে আৰু তাই আগতকৈ অসমীয়া ভাষা পঠন আৰু কথনতো পাৰদৰ্শি হৈ আহিছে। কবিতাৰ সফলতাত সহপাঠী সকলেও অভিনন্দন জনালে।

(সঁচা কাহিনীৰ আধাৰত। কবিতাই লিখা সাধু উপস্থাপন কৰা হল।)

# প্ৰকল্প

**প্ৰশ্নঃ** তুমি জনা এটা সাধু নিজৰ ভাষাৰে লিখা। ১০

**উত্তৰঃ** কাউৰী আৰু শিয়াল



একদিন শিয়াল এটাই আহাৰ বিচাৰি অনাই-বনাই ঘূৰি ফুৰিছে। তেনে সময়তে সি গছ এজোপাৰ এটা ডালত এজনী কাউৰী দেখিবলৈ পালে। তাইৰ মুখত এটোপৰ মঙহ। মঙহ দেখি শিয়ালৰ জিভাৰ পানী সৰিল। কেনেকৈনো মঙহ টোপৰ খাব পৰা যায় তাকে সি ভাবিবলৈ ধৰিলে। সি এটা উপায় বিচাৰি পালে। সি কাউৰীৰ ফালে চাই মিঠাকৈ



মাতি পঠালে, "তুমিনো কি ধুনীয়া? দেখাত সৰগৰ পৰী, তুমিয়েই নেকি চৰাইৰ ৰাণী" শিয়ালৰ কথা শুনি কাউৰীৰ মনটো ভাল লাগি গ'ল। তাই উত্তৰ নিদিলে। নিদিলে যে তাইৰ মুখৰ মঙহ মাটিত হেৰাব। শিয়াল বপুৰাও কম লোক নহয়। সি আকৌ ক'লে

"হেৰা কাউৰী বাই
গীত এটা দিয়া শুনাই।"

এইবাৰো শিয়ালে সঁহাৰি নাপালে। সি পুনৰ ক'লে,

"বেচেৰী কাউৰী বাই
গীত গাবলৈ তুমি যে
বোবা এই কথা
মই জনা নাই।"

বোকা বুলি কোৱাত কাউৰীৰ উঠিল খং। তাই মুখৰ মাংসৰ কথা পাহৰি গ'ল আৰু গীত জুৰিলে - কা - কা - কা।

কাউৰীয়ে গীত গাবলৈ লোৱাৰ লগে লগে মঙহ টোখৰ ঠোঁটৰপৰা টুপুককৈ মাটি পৰিল।

শিয়ালে মঙহ টোখৰ লৈ পৰম হৰিষ মনেৰে হাবিত সোমাল।

ইফালে মঙহ হেৰুৱাই কাউৰীয়ে কপাল ভুকুৱাই কান্দিবলৈ ধৰিলে।

তেতিয়াহে তাই বুজি পালে, 'আনৰ তোলাহি কথাত ভোল যাব নালাগে।'

= × = × = ×

কাগজ, কলম ইত্যাদি
সময়ঃ- ৯০ মিনিট

**শিকনৰ ফলাফলঃ-(Leaning Outcome)**

(ক) অংশগ্ৰহণকাৰীসকলে (ভাষা শিক্ষণৰ আলমত) শ্ৰেণীকোঠাত বিশেষভাৱে প্ৰয়োজন থকা শিক্ষাৰ্থীৰ শিকন সম্ভৱ কৰিবলৈ, কেনেকৈ কলা (Art)ৰ সহায় ল'ব তাৰ আভাস পাবা ।

(খ) আনন্দদায়ক শিকন (Joyful learning) ৰ মাধ্যম হিচাপে চিত্ৰাংকনৰ বাহিৰে আন আন কলা সমূহৰ যোগেদি কিদৰে শিকন সম্ভৱ হয় তাৰ বিষয়ে ধাৰণা কৰিব পাৰিব ।

(গ) বিদ্যালয়ৰ প্ৰধান হিচাপে বিভিন্ন স্তৰৰ শিক্ষাৰ্থীৰ শিকন সুচল কৰিবৰ বাবে বিদ্যালয়ত নানা শিকন সামগ্ৰী (TLM) ৰ ব্যৱহাৰ কৰিবলৈ অনুপ্ৰাণিত হ'ব ।

(ঘ) বিশেষভাবে প্ৰয়োজন থকা শিক্ষাৰ্থীক কি দৰে সমমৰ্মিতা প্ৰদৰ্শন কৰিব লাগে, তাৰ কৌশল আয়ত্ত কৰিব।

(ঙ) শিক্ষাৰ্থীৰ বৌদ্ধিক, আৱেগিক আৰু দক্ষতা বিকাশত সহায় কৰিব।

**পদক্ষেপসমূহঃ(Actionable Steps)**

(১) অংশগ্ৰহণকাৰীসকলক কাহিনীটো ভালদৰে পঢ়িবলৈ ক'ব আৰু ছবিখন পৰ্যবেক্ষন কৰিবলৈ ক'ব।

(২) অংশগ্ৰহণকাৰীসকলক দলত বিভক্ত কৰি ল'ব আৰু প্ৰতিটো দলৰ একোজন প্ৰতিনিধি নিৰ্বাচন কৰিবলৈ ক'ব ।

(৩) প্ৰতিটো দলক আলোচনাৰ মাধ্যমেৰে তলত উল্লেখ কৰা প্ৰশ্ন কেইটাৰ উত্তৰ লিখিবলৈ ক'ব।

**প্ৰতিফলন মূলক প্ৰশ্ন (Reflective Questions)ঃ-**

(ক) কবিতাৰ ভাষা শিক্ষণত দেখা দিয়া সমস্যাটোত শিক্ষয়িত্ৰীয়ে লোৱা পদক্ষেপসমূহত আপোনলোকৰ মতামত কি ?

(খ) বহু-সাংস্কৃতিক শ্ৰেণীকোঠা (Multicultural classes) ত শিকন সম্ভৱ কৰিবৰ বাবে কেনেধৰণৰ পন্থা হাতত ল'ব পাৰি ?

(গ) বিশেষভাৱে প্ৰয়োজন থকা শিক্ষাৰ্থীক বিভিন্ন বিষয় আহৰণত সহায় কৰিবলৈ বিদ্যালয়ত কেনেধৰণৰ শিক্ষণ সামগ্ৰী (TLM) থকাটো উচিত ?

(ঘ) শিক্ষাৰ্থীৰ সৃজনশীলতাৰ উত্তৰণ ঘটাবলৈ শ্ৰেণীকোঠাসমূহ কিদৰে প্ৰস্তুত কৰা উচিত ?

উত্তৰ লিখাৰ অন্ততঃ প্ৰত্যেক দলে অন্য দলসমূহৰ ব্যক্তব্যৰ আধাৰত তেওঁলোকৰ বিশ্লেষণ আগবঢ়াব। দলসমূহৰ ব্যক্তব্য আধাৰত, সকলোৱে সহমতত শ্ৰেণীকক্ষ আৰু বিদ্যালয় ৰূপান্তৰকৰণৰ বিদ্যালয়ৰ প্ৰধান হিচাপে তেওঁলোকৰ দায়িত্ব আৰু কৰণীয়ৰ প্ৰতি প্ৰতিজ্ঞাৱদ্ধ হ'ব।

**এই বিষয়টো তলত দিয়া উদাহৰণেৰে ব্যাখ্যা- কৰিবঃ**

**উদাহৰণ-১**

'আপুনি ভাল কৰিছিল আৰু মই অনুভৱ কৰো যে আপুনি আচৰণৰ ক্ষেত্ৰত টান লেকাম ধৰে/যধে মধে ব্যৱহাৰ নকৰে। যি নহওক মই ভাবিছিলোঁ আপোনাৰ প্ৰশ্নসোধাৰ ধৰণ সীমিত আছিল আৰু ল'ৰাবোৰৰ প্ৰতি আপুনি পক্ষপাতিত্ব (Bias) কৰিছিল।

মুঠতে মই পাঠটো উপভোগ কৰিছিলোঁ। এই মন্তব্যটোৱে বহু প্ৰশংসা পাইছিল, বহু সমালোচিত হৈছিল আৰ বহুতো প্ৰশংসাৰে আকৌ শেষ হৈছিল। এইটোৱে (archetypal praise-criticism-praise চেন্দুইছ)

শিক্ষকৰ প্ৰত্যাহ্বানটো হ'ল ইয়াত যি প্ৰকৃততে কোৱা হৈছে সেইটো খোলাৰ চেষ্টা কৰা (Unpack)

এগৰাকী শিক্ষকে, যি গৰাকীয়ে পৰ্যৱেক্ষক আৰু উপভোগ কৰে, তেখেতে-আচলতে উক্তিটোৱে কি বুজাইছে সেইটো বেছি স্পষ্টকৈ ব্যাখ্যা কৰিবলৈ পৰ্যৱেক্ষকক সুধি সমস্যাটো সহজে সমাধান কৰিব পাৰে। যেতিয়া পৰ্যৱেক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত গভীৰ সন্মান থাকে, প্ৰক্ৰিয়াটো বৰ বেছি অৰ্থপূৰ্ণ হয়। কিন্তু আমাৰ বহুতৰ বাবে, আমি প্ৰায়ে পৰ্যৱেক্ষণ কৰোঁ, বা সহপাঠীৰ জৰিয়তে পৰ্যৱেক্ষণ কৰা হয়, যাক ভালকৈ নাজানোঁ, যদি পৰ্যৱেক্ষণক বিশ্বাসৰ অভাৱ হয়, এটা ফলপ্ৰসূ আলোচনা অসম্ভৱ হয়।

ওপৰৰ প্ৰতিপুষ্টিৰ সমস্যাটো হ'ল এইযে বিচাৰমূলক আৰু শিকি পৰ্যৱেক্ষণ ক্ষেত্ৰত কৰিবলৈ পৰিৱেশ বা অৱস্থাৰ সৃষ্টি কৰিলেও সিমান ফলপ্ৰসূ নহয়। এই পৰিৱেশ পৰ্যৱেক্ষণ কৰা শিক্ষকগৰাকীয়ে প্ৰায় সিহঁতৰ/তেওঁলোকৰ স্ব-শিকন সীমিত কৰিব পাৰে বা কমকৈ তেখেতে জড়িত হয়।

পৰ্যৱেক্ষক (Coach) আৰু পৰ্যৱেক্ষণ কৰা সহপাঠীসকলৰ প্ৰত্যাহ্বান হ'ল শিকনৰ চৌপাশে এটা শক্তিশালী (rich) সংলাপৰ বাবে অৱস্থা বা পৰিৱেশৰ সৃষ্টি কৰা, যিয়ে সাক্ষ্যৰ ভিত্তিত প্ৰতিফলন প্ৰক্ৰিয়াত পৰ্যৱেক্ষণ কৰা সহপাঠীসকলক সহায় কৰে। বৰ্ণনাত্মক ভাষা ব্যৱহাৰ কৰি এই প্ৰক্ৰিয়াটোৰ সুন্দৰ ভেটি প্ৰতিষ্ঠা কৰিব পাৰি-

**উদাহৰণ-২**

এই স্তৰটোত ছাত্ৰ-ছাত্ৰীসকলক প্ৰশ্ন সোধোতে হওক আৰু উত্তৰ দিয়াতে হওক, তেওঁলোক ব্যস্ত থাকে। আপুনি বিষয়টোৰ সন্দৰ্ভত ১২টা প্ৰশ্ন সুধিলে, ইয়াৰে ৯টা প্ৰশ্ন, বন্ধ প্ৰশ্ন ১০ টা প্ৰশ্নৰ উত্তৰ ল'ৰাবিলাকে দিলে।

মই, তোমালোকৰ চিন্তাৰ প্ৰতি আগ্ৰহী হৈছো?' (২)

প্ৰথমটো উদাহৰণত দেখুওৱাৰ দৰে দ্বিতীয় উদাহৰণটো ওখ-চাপৰ/তল অভিগমন (Top-down approach) ৰ পৰা আন এটা অভিগমনলৈ অনা হৈছে য'ত দুজন ব্যক্তিয়ে যৌথভাৱে শিকাত জড়িত হয়। ইয়াত কোনো বিচাৰ নাই। পৰ্যৱেক্ষকে প্ৰতিফলিত চিন্তাক উৎসাহ জনাবলৈ ডিজাইন কৰা বৰ্ণনাত্মক প্ৰতিপুষ্টি সমূহ দিয়ে। আৰু ই এটা আনুষ্ঠানিক প্ৰক্ৰিয়াৰ

অংশ হিচাপে শিক্ষকক গভীৰকৈ বুজিবলৈ সহায় কৰে। এই অভিগমনটোৱে গভীৰভাৱে সৰলীকৰণ কৰে, যিহেতু শিক্ষকসকলে তেখেতসকলৰ অভ্যাসন উন্নত কৰিবলৈ নিজা সামৰ্থৰে তেখেতসকলৰ বিশ্বাসৰ বিকাশ ঘটায়। আলোচনাটোৱে, শিক্ষকে যে বিশেষ কাৰণত ল'ৰাৰ ওপৰত দৃষ্টি ৰাখি আছিল, সেই কথা অৱলোকন ঘটাব পাৰি। বা বন্ধ প্ৰশ্নবোৰ পাছলৈ বেছি মুক্তভাৱে কাম কৰিবলৈ দি শিকনৰ স্কেফ'ল্ড (Sculfold) কৰাত ব্যৱহাৰ কৰা হয় বা এইটো এনেকুৱা হ'ব পাৰে যে শিক্ষকে ল'ৰা বা নিম্ন ধৰণৰ প্ৰশ্নৰ ওপৰত দৃষ্টিপাত কৰা সহজভাৱে কবলৈ গ'লে সহজ নহয় আৰু এইটোৱে শিকন আলোচনা বা কথোপকথনৰ দিশটোক উৎসাহিত কৰে/বিকাশত সহায় কৰে। ইয়াত দুগৰাকী সহপাঠীৰ মাজত হোৱা সংলাপেই প্ৰধান চাবিকাঠী যিয়ে এটা কথাকোৱা শৈলীৰ বিপৰীতে কোচিং কৌশলক গুৰুত্ব দিয়ে।

'Moving Zones' নামৰপ্ৰবন্ধটো চাওক, প্ৰাসংগিক লিংকত উপলব্ধ।

(ফলপ্ৰসূ শিকন আলোচনা/কথোপকথনৰ বাবে **praise-criticism-praise** ৰ পুৰণা প্ৰতিপুষ্টিটো তলত দিয়া ) **Ask-Describe-Ask** (সোধক –বৰ্ণনাত্মক- সোধক) নিৰ্দেশনা ৰেখাৰ দ্বাৰা আঁতৰাব লাগে। সোধক-বৰ্ণনা কৰক-সোধক (৩)/**(Ask-Describe-Ask -3)**

**সহপাঠী সকলক প্ৰথমে নিজা দক্ষতাৰ মান নিৰ্ণয় কৰিবলৈ সোধক-**

- তেখেতৰ লক্ষ্য কি ?
- অতীতত কি ভাল হৈছিল আৰু আগতকৈ কি বেছি ভাল কৰিব পাৰি ?

**১ . আমি এইটো কৰোঁ, কৰিম ই এটা সংলাপ আৰম্ভ কৰেঃ**

- সহপাঠীৰ কথা শুনাটো নিশ্চিত কৰে।
- প্ৰতিপুষ্টি টেইলৰিং (Tailoring)ৰ বাবে দৰকাৰী
- 'মই পৰ্যৱেক্ষণ কৰিছিলোঁ' বা
- সহপাঠীৰ শিকনত দৃষ্টিপাত কৰো

**২. আপুনি পৰ্যৱেক্ষণ কৰাখিনি বৰ্ণনা কৰকঃ**

- সহপাঠীক বৰ্ণনাত্মক জাননী/তথ্য দিয়ক।
- সহপাঠীৰ পৰ্যৱেক্ষণৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰক।
- সহপাঠীৰ স্ব-মান নিৰূপণৰ সন্দৰ্ভত প্ৰতিপুষ্টি দিয়ক।
- আপুনি কি দেখিলে আৰু শিক্ষণ শিকনৰ আলোচনাৰ বাবে এখন মঞ্চ (platform) তৈয়াৰ কৰিবলৈ-'মই পৰ্যৱেক্ষণ কৰিছিলো..............' বা 'তলৰ সাক্ষ্যটো হ'ল...................' বা 'ছাত্ৰ-ছাত্ৰীয়ে কৈছিল...............' এনেধৰণৰ ব্যাকাংশ ব্যৱহাৰ কৰক।

**৩. তেখেতসকলৰ বুজি পোৱাখিনি আৰু এইবোৰৰ উন্নতিৰ বাবে পদ্ধতি বা কৌশলসমূহৰ বিষয়ে সোধকঃ**

আমাৰ শিকন কি বা আমি কি শিকিম আৰু সহপাঠীসকলক কি ধৰণে বেলেগে বেলেগে পৰ্যৱেক্ষণ কৰিব পাৰি ?

- যদি উপযুক্ত বুলি ভাবে, আপোনাৰ নিজা উপদেশ দিয়ক কিন্তু মনত ৰাখিব যে আপোনাৰ প্ৰত্যাহ্বানটো আপোনাৰ সহায় নোহোৱাকৈ সহপাঠীৰ সহ্য কৰিব পৰা পৰিৱৰ্তন (Sustain Change)ত সহায় কৰিববৈলেহে।
- যদি প্ৰয়োজন হয়, আকৌ/পুনৰ সাক্ষ্য গ্ৰহণ কৰক, আনকি পাঠটোৰ যি অংশ শিকাইছিল পুনৰ সেইখিনি আৰম্ভণীৰে পৰা কৰি চাওঁক, উদাহৰণ স্বৰূপে 'তোমালোকে কেনেকৈ কৰিলা মোক দেখুওৱা।'
- ইয়াৰ পাছৰ স্তৰটো চিনাক্ত কৰক আৰু একেলগে শৃংখলাৱদ্ধভাৱে উন্নত কৰাৰ বাবে পণ লওক।
- 'সোধক-বৰ্ণনা কৰক- প্ৰক্ৰিয়াটোৰ বিষয়ে সোধক'
- এই পদ্ধতিটো খণ্ড খণ্ড কৰক।

**স্তৰ- ১: সোধক :**

এই স্তৰটো পৰ্যৱেক্ষণ কৰা প্ৰশিক্ষক (Coach)ৰ বাবে অতি আৱশ্যক। প্ৰশিক্ষক(Coach)ৰ ভূমিকা হৈছে পাঠটো কেনেধৰণে কৰা হল সেই বিষয়ে প্ৰথম মতামত দিয়াত সহপাঠী সকলক সহায় কৰা। এইটোৱে নিশ্চিত কৰে যে- আলোচনা/কথোপকথনৰ একেবাৰে আৰম্ভণিতে ছাত্ৰ-ছাত্ৰী (observees) সকলৰ মাত শুনা গৈছে (অৰ্থাৎ তেওঁলোকে কথা ক'বলৈ সাহস কৰিছে আৰু আলোচনা/কথোপকথনটো তেখেতৰ ভাব নাই ঘোষণা কৰি গৈছে।)

ই গোটেই পৰ্যৱেক্ষণ প্ৰক্ৰিয়াটোত সংগ্ৰহ কৰা বৰ্ণনাত্মক ডাটাবোৰৰ বেছি তথ্য/জাননী প্ৰশিক্ষকক দিয়ে। সহপাঠীৰ অৰ্ন্তদৃষ্টিয়ে পৰ্যৱেক্ষকে লবলগীয়া/গ্ৰহণ কৰিবলগীয়া অভিগমন (approach) নিৰ্ধাৰণ কৰিব আৰু পৰ্যৱেক্ষকৰ প্ৰশ্নবোৰ সজোৱা/দেখুওৱাত সহায় কৰিব।

**স্তৰ ২ : বৰ্ণনা কৰক**

ই ইয়াকে নুবুজায় যে পৰ্যৱেক্ষকে একো ক'ব নোৱাৰে, বৰং ই ইয়াকে বুজায় যে আলোচনাবোৰে কেন্দ্ৰত/মূলত বৰ্ণনাত্মক জাননী/তথ্য দিয়ে। এই প্ৰক্ৰিয়াটো/ঘটনাটো প্ৰক্ৰিয়াটোৰ মাজত (heart) হয়। এইটোৱে ইয়াৰ বৰ্ণনাত্মক জাননী/তথ্য যিয়ে সকলো প্ৰকাৰৰ মূল্যায়ন সমাধান কৰে সহপাঠী সকলে এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকে প্ৰদৰ্শনত দেখুওৱাত তলত দিয়া ৰিপোৰ্টৰ আধাৰত ভিত্তি কৰি শিকন পৰ্যৱেক্ষণৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

'Not content with my descriptive feedback, the teacher asked me to show him how he had run a particular sequence at interaction with the group of pupils. Together we stood where he had positioned himself and talked through the interaction between himself and the pupils'

'মোৰ লগত থকা বৰ্ণনাত্মক প্ৰতিপুষ্টিত কোনো বিষয়বস্তু (content) নাই । দলবোৰৰ লগত পাৰস্পৰিক ক্ৰিয়া কৰি কেনেধৰণে তেখেতে এটা বিশেষ ক্ৰমলৈ যাব পাৰে সেইটো দেখুৱাবলৈ শিক্ষক গৰাকীয়ে মোক দেখুৱাবলৈ কৈছিল । আমি একেলগে যি ঠাইতে থাকিলোঁ বা থাকো, সেই ঠাইতে তেখেতে অৱস্থান লৈছিল আৰু তেখেত আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত পাৰস্পৰিকভাৱে কথা কৈছিল।'

**স্তৰ-৩ : সোধক (আকৌ)**

পশ্চাৎ পৰ্যৱেক্ষণৰ আলোচনাৰ প্ৰসংগ আৰু সহপাঠীসকলৰ পটুতা/দক্ষতাৰ স্তৰটো পৰ্যৱেক্ষকে গ্ৰহণ কৰা অভিগমনে নিৰ্ধাৰণ কৰে। যি নহওক, উন্নতকৰণৰ চাবিকাঠীটো হ'ল দেখুওৱা দৰে এটা মূল্যায়ন নকৰা অভিগমনৰ ক্ষেত্ৰত বেছি গুৰুত্ব দি এটা যৌথ শিকন অনুসন্ধানৰ ভেটি স্থাপন কৰা। এই সিদ্ধান্তটো এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ শিকা আলোচনা/কথোপকথনৰ ক্ষেত্ৰত পৰ্যৱেক্ষকে দিয়া অন্য মতামতৰ দ্বাৰা প্ৰদৰ্শন কৰা হয় (Demonstrate)।

'শিক্ষক গৰাকীয়ে মোৰ নিজা ধাৰণা দিবলৈ নিমন্ত্ৰণ জনাইছিল। এইটো পৰ্যৱেক্ষকৰ বাবে এটা অতি কঠিন কথা, যিহেতু মূলত শিক্ষক এগৰাকীক ভূমিকা, হ'ল- পৰ্যৱেক্ষকৰ পৰামৰ্শ নোলোৱাকৈ থকা পৰিৱৰ্তনখিনি নষ্ট নোহোৱাকৈ ৰখা আৰু আগভাগ লোৱাত সহায় কৰা। যি নহওক য'ত শিকাৰ বাবে বুজাবুজি সন্মান আৰু এখন যৌথ সমিতি আছে, ইয়েই যথেষ্ট হ'ব পাৰে। শিক্ষক গৰাকীয়ে আমি লোৱা ধাৰণাবোৰ বাৰে বাৰে পাছৰ বছৰৰ বাবে অনুঘটককৈ/ অপৰিবৰ্তশীল হিচাপে ব্যৱহাৰ কৰিবলৈ, লোৱা ধাৰণাটো প্ৰমাণ কৰিছিল।'

ফলপ্ৰসূ শ্ৰেণীকোঠাৰ পৰ্যৱেক্ষণ আৰু সংলাপবোৰৰ শিকনৰ নেতৃত্বৰ এটা দৰকাৰী অংশ আৰু ই শিক্ষকৰ পেছাদাৰী বৃত্তিৰ বিকাশত গ্ৰহণযোগ্য বহনীয়ভাৱে (substantially) সহায় কৰে আৰু প্ৰতিগৰাকী শিশু/ছাত্ৰ-ছাত্ৰীৰ সামৰ্থ বৃদ্ধি কৰিব পাৰে।

**সোধক-বৰ্ণনাত্মক প্ৰক্ৰিয়াৰ বিষয়ে (The Ask-Describe-Ask-Process)**

## ১. পূৰ্ব পৰ্যৱেক্ষণ সভা

এই সভাত পৰ্যৱেক্ষক আৰু পৰ্যৱেক্ষণ কৰিবলগীয়া (observe) সকলক পৰ্যৱেক্ষণৰ বাবে বিৰক্ত কৰা হয়। উদাহৰণস্বৰূপে, এটা পৰ্যৱেক্ষণত শিক্ষকজন প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰত্যাহ্বানসমূহ 'এই বিষয়/প্ৰসংগৰ ওপৰত বেছি আগ্ৰহী আছিল। এইটো পাতল বিষয় (light issue)নহয়।' গৱেষণাৰ জৰিয়তে জনা যায় যে-ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীকোঠাত সকলো সামৰ্থৰ প্ৰতি থকা প্ৰত্যাহ্বানৰ অভাৱেই ছাত্ৰ-ছাত্ৰীৰ উন্নত কৰিব নোৱাৰাৰ এটা মূল কাৰক। পৰ্যৱেক্ষক আৰু পৰ্যৱেক্ষণ কৰিবলগীয়া সকল (ছাত্ৰ-ছাত্ৰী)ৰ বাবে পূৰ্ব-পৰ্যৱেক্ষণ সভাৰ এটা মূল অংশ হ'ল – পৰ্যৱেক্ষণীয় বিষয়/প্ৰসংগৰ বিষয়ে/লগত জড়িত প্ৰশ্নসমূহ সোধাৰ প্ৰতি দৃষ্টি দিয়া। উদাহৰণস্বৰূপে, যদি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ সামৰ্থৰ স্তৰলৈ যাওঁতে প্ৰত্যাহ্বানৰ মুখামুখি হয়, তেতিয়া কি হ'ব বা কি দেখা যাব ? উত্তৰবোৰ 'প্ৰত্যেকগৰাকী ছাত্ৰ/ছাত্ৰীয়ে দি আছে' সেই পৰিসৰৰ বা ছাত্ৰ-ছাত্ৰীয়ে 'প্ৰশ্নবোৰৰ আঁতধৰি আছে,' 'ছাত্ৰ-ছাত্ৰী সকলে উচ্চ মনোভাৱ/চিন্তাৰ প্ৰশ্ন সুধি আছে' এই পৰিসৰৰ, জ্ঞান আৰু বুজাৰ কৌশলৰ আহৰণৰ ক্ষেত্ৰত একেৰাহে ছাত্ৰ-ছাত্ৰীক ব্যস্ত ৰাখিবলৈ ক্ৰিয়া-কলাপ ব্যৱহাৰ কৰা এইদৰে প্ৰক্ৰিয়াটো চলাই থকা হয়।

এই ক্ষেত্ৰত চকুত পৰা ফলপ্ৰসূ অভ্যসনবোৰ কি হ'ব সেই প্ৰসংগত সৰ্বসন্মত সাধাৰণ মতামত সৃষ্টি কৰাটোৱে ইয়াৰ উদ্দেশ্য।

তেওঁলোকে শিক্ষকসকলে কি বিচাৰে সেই বিষয়ে এটা স্পষ্ট ধাৰণা দিবলৈ শিক্ষক এজন শ্ৰেণীকোঠালৈ যায় আৰু পৰ্যৱেক্ষকজনে শ্ৰেণী কোঠালৈ কি চাব সেইবিষয়ে এটা স্পষ্ট ধাৰণা লৈ যায়।

**২. পৰ্যৱেক্ষণঃ**

পৰ্যৱেক্ষণৰ বিষয়ে চমুকৈ বৰ্ণনাত্মক জাননী/বা তথ্য জনোৱাটো কাম। পৰ্যবেক্ষকে বৰ্ণনাত্মক টোকা প্ৰস্তুত কৰিব পাৰে। পৰ্যৱেক্ষকৰ বাবে মূল (Key) প্ৰশ্ন হ'ল- 'কম সময়ৰ ভিতৰত মই কি দেখিলো, মই কিন্তু বাছি লোৱা বিষয়বস্তুৰ বিষয়ে শ্ৰেণীকোঠাত ক্লাছ কৰি আছোঁ।

**৩. শিকন আলোচনা/মানি চলা কৰা**

এই অংশটোৱে সদায় 'সোধক বৰ্ণনাকৰক-সোধক' ৰ প্ৰতিপুষ্টি চেন্দুইচ (Feedback Sandwich) প্ৰক্ৰিয়া ফঁহিয়াই দেখুৱায়।

**সোধকঃ** ইয়াত পৰ্যৱেক্ষকে পাঠৰ বিষয়ে সহপাঠীৰ মতামত বিচাৰে কি ভালকৈ হৈছে আৰু ইয়াতকৈ কি ভালকৈ হ'বলৈ গৈ আছে সেই বিষয়ে জানিবলৈ বিচাৰে। এইটো এই কাৰণতে কৰা হয় কাৰণ ই সহপাঠীসকলক দৃঢ়ভাৱে নিয়ন্ত্ৰণত ৰাখে আৰু পৰ্যৱেক্ষকৰ প্ৰতিপুষ্টিসমূহ নিয়মমতে যাতে হয় তাৰ বাবে সহপাঠীৰ পাঠটোৰ সম্পৰ্কে কৰা মন্তব্য নিশ্চিত কৰে।

**বৰ্ণনাকৰক (Describe) :**

শিক্ষকে পাঠ পৰ্যৱেক্ষণ কৰি পাঠৰ ক্ষেত্ৰত দিয়া মতামতলৈ প্ৰতিপুষ্টি দিয়াৰ দৰে, পৰ্য্যৱেক্ষকে বিচৰা (পছন্দ কৰা বিষয়ৰ যি দেখে সেই বিষয়ে পৰ্যবেক্ষকে বৰ্ণনা কৰে)।

ইয়াত চাবিকাঠীটো হ'ল তেখেতসকলে ব্যৱহাৰ কৰা বাকাংশবোৰ যেনে- ' মই লক্ষ্য কৰো......' শিকন আৰু শিক্ষণৰ বিষয়ে এটা আলোচনাৰ মঞ্চ সৃষ্টি কৰিবলৈ আৰু কি দেখা গ'ল বা বুজা গ'ল সেই বিষয়ে এটা বৰ্ণনা সৃষ্টি কৰা।

**সোধকঃ**

ইয়াত পৰ্যৱেক্ষকে সহপাঠীৰ সন্মতিমৰ্মে কি বুজিলে আৰু উন্নতকৰণৰ বাবে পাছৰ স্তৰটো/পদক্ষেপটো কি হ'ব সেই বিষয়ে সোধে। এই পাছৰ পদক্ষেপবোৰ শিকন আলোচনী/কথোপকথনৰ পৰা গভীৰভাবে বুজি পোৱা স্তৰ পৰা আৰম্ভ হয়। এটা চাবিকাঠীমূলক/মূল প্ৰশ্নটো হ'ব পাৰে-

' আমাৰ আলোচনাবোৰ দিলোঁ, ইয়াত আপুনি কি শিকন হ'ব, এই বিষয়ে কেনেকৈ উদ্ঘাটন কৰিব বা প্ৰয়োগ কৰিব ?

**সোধক-বৰ্ণনাকৰক- পৰ্যৱেক্ষণ কৰিবলগীয়ালোক (observe) আৰু পৰ্যৱেক্ষকৰ বাবে সহায়ক ৰেখা/বা নিৰ্দেশপৰ বিষয়ে সোধক পূৰ্ব পৰ্যৱেক্ষণ সভা**

দুয়ো সহপাঠীয়ে-

- এখন সাধাৰণভাৱে বুজাৰ প্ৰাৰম্ভিক বিকাশৰ বাবে আগতীয়া প্ৰস্তুতি চলোৱা উচিত
- 'সোধক-বৰ্ণনাকৰক-সোধক' গঠন আৰু এই বিষয়ে আলোচনা সৰল পদ্ধতি ব্যৱহাৰ কৰিবলৈ সন্মতি প্ৰদান কৰক।
- কেতিয়াবা পৰ্যৱেক্ষণ কৰোঁতে নিৰ্ভুল বৰ্ণনা কৰাৰ ক্ষেত্ৰত, এইটো টান হ'ব পাৰে আৰু (observe) আৰু পৰ্যৱেক্ষকে যি দেখিছে সেইভাৱে/ধৰণে মতামত দিয়াৰ দৰে পৰ্যৱেক্ষকে প্ৰকৃত বৰ্ণনাত্মক বিষয়টোৰ বিষয়ে আলোচনা কৰিবলৈ সন্মতি জনোৱা উচিত।

**প্ৰক্ৰিয়াটো (Process)**

- প্ৰকৃত পৰ্যৱেক্ষণ প্ৰক্ৰিয়া চুটি হ'ব পাৰে, উদাহৰণস্বৰূপে- ৩০ মিনিটত হ'ব পাৰে।
- শিকন আলোচনা/কথোপকথনৰ বাবে এক ঘন্টা (One hour) সময় ধৰি দিব লাগে।
- যেতিয়াই, য'ত সম্ভৱ হয়, প্ৰতিপুষ্টিৰ অধিৱেশন হোৱা উচিত।
- যদি বেছি আলোচনা/কথোপকথন এটা বিষয়ত এটা সময়ৰ বাবে বেছি নহয় এই ক্ষেত্ৰত অন্ততঃ দুবাৰ আলোচনা কথোপকথন হোৱা উচিত।

**শিকন আলোচনাৰ সংস্কৃতি সৃষ্টি কৰা**

**(Creating the learning Conversation Culture)**

সকলোৰে বাবে এক কথা কোৱা আলোচনাতকৈ শিকিব পৰা আলোচনা/কথোপকথন প্ৰত্যাহ্বান হ'ব পাৰে।

পৰ্যৱেক্ষণ কৰা শিক্ষকসকলে সদায় বেছি প্ৰত্যক্ষ তথ্য জানিবৰ বাবে, প্ৰশ্ন সুধিবলৈ সদায় মুকলি অনুভৱ কৰিব, যদি তেখেতসকলে (পৰ্যৱেক্ষক আৰু পৰ্যৱেক্ষণ কৰিবলগীয়া লোকা (observe) পছন্দ কৰা বিষযৰ পাঠ পৰ্যৱেক্ষণৰ বিষয়ে বৰ্ণনাত্মক তথ্য/জাননী দিবলৈ লাগে, এই ক্ষেত্ৰত, স্পষ্ট হ'ব লাগে যে পৰ্যৱেক্ষণৰ নিৰ্বাচিত পাঠ পৰ্যৱেক্ষণৰ বৰ্ণনাত্মক তথ্য দিয়াটো ভূমিকা হ'ব লাগে আৰু এই আলোচনাবোৰ সামৰি এখন প্ৰশ্নমালা ব্যৱহাৰ কৰিব। ছাত্ৰ-ছাত্ৰীৰ শিকন আৰু শিক্ষকৰ শিক্ষণৰ মাজত আন্তঃসম্পৰ্কৰ সৃষ্টি হয়, এই আলোচনাই সম্পৰ্কটোৰ লগে লগে ই ছাত্ৰ-ছাত্ৰীয়ে প্ৰয়োজনীয় শিকনখিনি ফলপ্ৰসূভাৱে যে শিকিব পাৰে সেইটোও নিশ্চিত কৰে, আৰু প্ৰাপ্ত (resultant) শিকন লাভ কৰিবলৈ পাছৰ পদক্ষেপ (বহনীয়)টো আগবঢ়াই নিয়ে আৰু ভালকৈ উদঘাটন কৰে।

পৰ্যৱেক্ষকে দুয়োৰে শেষ দায়িত্ব হ'ল প্ৰতিগৰাকী ছাত্ৰ/ছাত্ৰীক শিকোৱা আৰু আলোচনাই দুয়ো পৰ্যৱেক্ষকৰ অন্তৰ্দৃষ্টি কমাব নোৱাৰে । দুই পৰ্যৱেক্ষকে দৃঢ়ভাবে (Rigorously) নিশ্চিত হ'ব লাগে যাতে আলোচনা (কথোপকথনটোৱে এই উদ্দেশ্যৰ প্ৰতি মন দিয়ে)

দুই সহযোগীয়ে অনুশীলনবোৰ সযতনে আৰু সহানুভূতিৰে কৰিব লাগে বিশেষকৈ পৰ্যৱেক্ষণ শিক্ষকৰ অভ্যসনক আলোচনা/কথোপকথনৰ ভেটি হিচাপে ধৰিব লাগে। তলত দিয়া উক্তিটোৱে এনেধৰণ কিছুমান সুপ্ত/ফলদায়ক মনৰ উদ্বেগ(Tension) স্পষ্টভাৱে দেখুৱায় জ্ঞান সম্পন্ন (Conscious) শিকনৰ প্ৰতিটো কামৰ বাবে কৰা ইচ্ছাই কোনোজনৰ আত্ম সংযমৰ প্ৰতি এক মোক্ষাঘাত হয়। সেইবাবে 'চেমনীয়া ছাত্ৰ-ছাত্ৰীসকলে নিজৰ গুৰুত্বৰ প্ৰতি সজাগ হোৱাৰ আগতেই অতি সহজে শিকে আৰু ব্যক্তিসকলে, বিশেষভাৱে যদি দৰকাৰী বা বিফলতা অনুভৱ কৰে তেওঁলোকে একেবাৰে/মুঠেই শিকিব নোৱাৰে।'- থোমাচ চেজ (Thomas Sazasz)

ফলপ্ৰসূ নেতাসকলে সম্বন্ধমূলক (relationship) অধিকাৰ নাপায় আৰু শৈক্ষিক প্ৰত্যাহ্বানসমূহ নিয়ন্ত্ৰণ কৰে- তেখেতসকলে দমনমূলক কামৰ সমষ্টি মিলন ঘটায় সেইবোৰ সমস্যা সমাধানলৈ ৰূপান্তৰ ঘটায়

**প্ৰতিপুষ্টি- ইতিমধ্যে জনোৱা পেছাদাৰী সংলাপ**

যেতিয়া প্ৰতিপুষ্টিয়ে পৰ্যৱেক্ষণ কৰা শিক্ষকসকলৰ পৰা সম্পূৰ্ণ আৰু সক্ৰিয় অৱদান দিবলৈ উৎসাহ যোগায় বা পৰ্যৱেক্ষণৰ পৰা পোৱা প্ৰতিপুষ্টি আটাইতকৈ বেছি ফলপ্ৰসূ হয়

যেতিয়া ই পৰ্যৱেক্ষণ কৰা শিক্ষকৰ পৰা সম্পূৰ্ণ আৰু সক্ৰিয় অৱদান পায়, আৰু উৎসাহিত হয়।

পৰ্যৱেক্ষকৰ ভূমিকা হ'ল আত্ম-মূল্যায়ন উন্নত কৰা আৰু পৰ্যৱেক্ষণ কৰা শিক্ষকৰ শিকন আৰু পেছাদাৰী বিকাশ গভীৰ তথা উন্নত কৰা আৰু সংগ্ৰহ কৰা সাক্ষ্য তথা তথ্যৰ উদঘাটন কৰা।

**প্ৰতিপুষ্টি হ'ল এটা সুবিধা- কাৰণ**

- পৰ্যৱেক্ষকে লক্ষ্য কৰা খিনিৰ হুবহু পেইন্টিং কৰে (Paint a portrait) অৱলোকন (Focus)ৰ ক্ষেত্ৰত পৰ্যৱেক্ষণৰ মতে সৰ্বসন্মত।
- পৰ্যৱেক্ষকৰ দ্বাৰা সংগ্ৰহ কৰা তথ্য/সাক্ষ্যসমূহ শিক্ষকে একেলগে ব্যাখ্যা কৰাৰ বাবে
- বিশেষ প্ৰতিপুষ্টিৰ বাবে পৰ্যৱেক্ষণ কৰা শিক্ষকে সুধিব পাৰে।
- প্ৰশিক্ষকগৰাকীয়ে পৰ্যৱেক্ষণ কৰা শিক্ষকক সমৰ্থ কৰিবলৈ মুক্ত প্ৰশ্ন সুধিব পাৰে
- বিষয়বস্তু স্পষ্ট কৰিবলৈ আৰু যদি আপুনি কৰিবলগীয়াখিনি কৰে, আপুনি পাবলগীয়াখিনি পাব'
- বিষয়বস্তুৰ উন্নত কৰিবলৈ।
- শিক্ষসকলে একেলগে এক কাৰ্য পৰিকল্পনা কৰিব লাগে। (যোৰ দিশবোৰ পাছৰ পৰ্যৱেক্ষণত দৃষ্টিপাত কৰা হ'ব)
- প্ৰতিপুষ্টি দিয়াৰ ক্ষেত্ৰত পৰ্যৱেক্ষকৰ বাবে উৎকৃষ্ট/সোণালী নিয়মবোৰঃ
- সাক্ষ্যৰ আধাৰত ভিত্তি কৰি আৰু প্ৰয়োজন অনুসৰি স্পষ্টতাৰ বাবে প্ৰশ্ন সুধি লক্ষ্য কৰিবলগীয়া বিষয়সমূহ চমুকৈ বৰ্ণনা কৰক।
- পৰ্যৱেক্ষণ কৰা শিক্ষকক তেখেত নিজা অনুভূতি প্ৰকাশ কৰিবলৈ উৎসাহ যোগাওক। উৎসাহিত কৰক।
- বিচাৰাধীন হোৱাৰ পৰা বিৰত থাকক, যিয়ে পেছাদাৰী পৰিচয় আৰু কোনো ব্যক্তিৰ পৰা আচৰণৰ পাৰ্থক্য আনে আৰু গঠনাত্মক মতামত প্ৰকাশ কৰে এইক্ষেত্ৰত ইতিবাচক মতামত দিয়ক।
- পৰস্পৰে কাম কৰক, সমানবোৰৰ (equals)মাজত বিকাশাত্মক সংলাপ সংযোজন কৰক আৰু তন্ন তন্নকৈ ব্যাখ্যা কৰক।

**আত্ম মূল্যায়ন আৰু পাৰস্পৰিক (interactive)আলোচনা কৰক –**

ক্ষেত্ৰত ইয়াত অন্তৰ্ভুক্ত কৰা বিষয়সমূহ হ'ল-

- ইয়াৰ পৰা আপুনি পোৱা (সাক্ষ্য) .............পাঠটো কিদৰে হ'ল তুমি কেনেকৈ চিন্তা কৰিবা ?
- যেতিয়া............................(সাক্ষ্য)..........আপুনি সেইটোৰ বিষয়ে কিয় ভাৱে ?
- মই লক্ষ্য কৰিছিলোঁ/পৰ্যৱেক্ষণ কৰিছিলোঁ .........................(সাক্ষ্য)................আপোনাৰ মন্তব্যৰ লগত কি ধৰণে মিলে ?
- আপুনি কি ভাবিব যদি হয়............................?

মই কি ক'লো যে আপুনি ভাবিছে যে আপোনাৰ শিক্ষণত এটা ইতিবাচক অৱদান আছে

- ভৱিষ্যতে আপুনি মই কি পৰ্যৱেক্ষণ কৰাটো বিচাৰে ?

**উৎসঃ** nationalstrategies.standards.dcsf.gov.uk/node/83302?uc=(accessed 21 Oct 2010)

**এটা শিকন মনোবৃত্তি (Mind Set) ৰাখকঃ**

আমি নেতা বুলি ভবা লোকসকলৰ সৈতে বিদ্যালয়ত আলোচনা/কথোপকথন কৰিব পাৰোঁ, এই আলোচনাই ইতিবাচক কামৰ বাবে ভেটি প্ৰদান কৰে।

সংক্ষিপ্তকৰণ কৰি, দফাকৰি, স্পষ্ট কৰি, প্ৰশ্ন সুধি আৰু যুক্তি দি আমি এটা ফলপ্ৰসূ প্ৰক্ৰিয়া হোৱাত সহায় পাব পাৰোঁ, যাতে সহকৰ্মীসকলে নিজৰ ইচ্ছানুসৰি সেইবোৰ ব্যৱহাৰ কৰিব পাৰে।

**গেলিলিওৱে কৈছিল**-

'আপুনি এগৰাকী মানুহক একো শিকাব নোৱাৰে, আপুনি কেৱল তেখেতক সহয়া কৰিব আৰু তেখেতৰ ভিতৰত তেখেতক দেখা পাব পাৰে।'

এখন নতুনকৈ হঠাৎ আৰম্ভ কৰা হোটেল এখনৰ CEO পোষ্ট (পদৰ বাবে দৰ্খাস্ত (application) কৰা এইটো এটা উদাহৰণেৰে ব্যাখ্যা কৰা গল্প এটাত- দেখা গৈছিল যে এগৰাকী দৰ্খাস্তকাৰীয়ে দৰ্খাস্ত লিখিছিল এইদৰেঃ মই সকলো উত্তৰ নাজানিব পাৰোঁ- কিন্তু মই প্ৰশ্ন শুধিবহে জানোঁ'। পিছত দেখা গ'ল যে মানুহজনে চাকৰীটো পালে।

শিকন আলোচনা সফল কৰাৰ ক্ষেত্ৰত পৰ্যৱেক্ষণ কৰা সহপাঠীৰ, কোচিং সহপাঠীৰ প্ৰতি মনোভাৱ উৎকৃষ্ট হোৱা উচিত। য'ত বিশ্বাস নাই, সন্মান নাই, সম্পৰ্ক নাই তাত ফলপ্ৰসূ শিকন আলোচনা হোৱাটো টান।

যদি সম্পৰ্ক নাথাকে, তেতিয়া হ'লে তাৰ ফলাফল কি হয়, তলত দিয়া সাধুটোৰ পৰা গম পাব পাৰি-

যেতিয়া আপুনি প্ৰতিপুষ্টি দিওতা গৰাকীক সন্মান কৰে, যেতিয়া আপোনাৰ মনোভাৱটো শিকনৰে ভৰি পৰে, যেতিয়া আপুনি কৰিব পৰা আটাইতকৈ ভাল কাম কৰিব বিচাৰে, তেতিয়া আপুনি উৎসাহেৰে সেই কাথখিনি বোৰ্ডলৈ আনিব পাৰে, আৰু অৱশ্যে প্ৰথম ক্ষেত্ৰতে। প্ৰথমে আপুনি এগৰাকী চিন্তাশীল (reflective)ব্যক্তি হ'ব লাগে, হোৱা উচিত।

সহপাঠীসকলৰ অভ্যসনত পৰিৱৰ্তন আৰু উদ্ভাৱনাৰ বাবে সহায়কৰ প্ৰত্যাহ্বানবোৰ আচলতে বৰ্তমান হৈ থকা উন্নত পদ্ধতি নহয়, বৰং এই সকলোবোৰ বেলেগে বেলেগে কৰাটোহে আচল কথা।

New Look ৰ পৰা ডাঙৰ ডাঙৰকৈ graffiti drawing scribedবেৰত খোদিত ছবিবোৰে প্ৰকাশ কৰে যে '**যদি আপুনি কৰিবলগীয়াখিনি কৰে, আপুনি কেৱল পাবলগীয়াখিনি পাব**'

শিকন আলোচনা/কথোপকথনে সহপাঠী সকলক কৰিবলৈ আৰু ইয়াৰ পৰিসৰৰ বাহিৰত যোৱাৰ ক্ষেত্ৰত/বাবে বৰ্তমান হৈ থকা অভ্যসন প্ৰক্ৰিয়া উদ্ঘাটন কৰাত সহায় কৰে।

**নিজকে পৰীক্ষা কৰকঃ(Self- Evaluation)**

তলত উল্লেখিত বাক্য সমূহ শুদ্ধ নে অশুদ্ধ চিনাক্ত কৰক-

(১) বিদ্যালয়খনৰ সফলতা নিয়োজিত শিক্ষকসকলে দেখুওৱা প্ৰদৰ্শন মানৰ আধাৰত নিৰ্ভৰ কৰে। (শুদ্ধ /অশুদ্ধ)

(২) ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ এ শিক্ষণ কৌশলৰ নিৰ্বাচনৰ ক্ষেত্ৰত বাধ্যবাধকতা আৰু পৰিচয়। (শুদ্ধ /অশুদ্ধ)

(৩) কলাৰ যোগেদি শিক্ষাদান ফলপ্ৰসূ কৰিব নোৱাৰি - (শুদ্ধ /অশুদ্ধ)

(৪) শ্ৰেণীকক্ষত প্ৰযুক্তিৰ ব্যৱহাৰে সকলো শ্ৰেণীৰ শিক্ষাৰ্থীৰ শিকন সম্ভৱ কৰে।

(শুদ্ধ /অশুদ্ধ)

(৫) শিক্ষকসকলৰ ধাৰাবাহিক বৃত্তিগত দক্ষতা বৃদ্ধিৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজন-

(শুদ্ধ /অশুদ্ধ)

**সংক্ষিপ্তকৰণ (Summery and Conclusion)**

বিদ্যালয়ৰ শিক্ষণ-শিকনত পৰম্পৰাগত প্ৰদ্ধতি সমূহৰ ঠাইত নতুন তথা উদ্ভাৱনীয় আদান-প্ৰদানৰ প্ৰদ্ধতিৰ দ্বাৰা সলনি কৰা প্ৰয়োজন আহি পৰিছে। নতুন শিক্ষানীতি- ২০২০ এ দৈনিক শিক্ষণ-শিকন প্ৰক্ৰিয়াত কলা আৰু ক্ৰিয়াৰ সংযোজনেৰে শিক্ষাৰ্থীক অভিজ্ঞতাপূৰ্ণ শিকন (Experiential learning) সম্ভৱ কৰিবলৈ পোষকতা কৰিছে। তদুপৰি শিক্ষাৰ্থীৰ মনো-সামাজিক (Psycho social) দিশসমূহ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষণৰ কৌশল (Teaching strategies) নিৰ্বাচনৰ ক্ষেত্ৰত কোনো বাধ্যবাধকতা আৰোপ কৰা নাই। গতিকে শিক্ষাৰ্থীয়ে নিজস্ব শিকন শৈলী (Learning style)ৰ আধাৰত আয়ত্ত কৰিব পৰাকৈ শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপ পৰিকল্পনা কৰাটো শিক্ষকৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব। শিক্ষণৰ ধাৰণা আগবঢ়াবলৈ কলাৰ ব্যৱহাৰ কৰিলে বহু-সংস্কৃতি (Multicultural) শিক্ষা লাভৰ বহু লক্ষ্য পূৰ হয়। লগতে শিক্ষাৰ্থীৰ সৃজনশীল প্ৰতিভা (Creativity), অন্বেষণ (Exploration), যুক্তিনিষ্ঠ চিন্তন (Critical thinking) আৰু বিষয় বস্তুৰ সম্যকজ্ঞান আহৰণ কৰাত সহায় কৰে। সেয়েহে কলাৰযোগেদি বিভিন্ন বিষয় আনন্দদায়ক শিকনৰ মাধ্যমেৰে (Joyful learning) শিক্ষাৰ্থীক সম্ভৱ কৰি তুলিবলৈ শ্ৰেণীকোঠা পৰিৱেশত নতুনত্ব অনাটো এজন প্ৰধান শিক্ষকৰ গুৰুত্বপূৰ্ণ দায়িত্ব। শ্ৰেণীকোঠাত আকৰ্ষনীয় পৰিৱেশ গঢ়িতোলাত, সকলো স্তৰৰ শিক্ষাৰ্থীক শিকনত সহায় হোৱাকৈ শিক্ষণ সজুঁলি/আহিলা প্ৰস্তুত কৰা, শিক্ষক সকলক সময় সাপেক্ষে প্ৰয়োজনীয় প্ৰশিক্ষণ ল'বলৈ সুবিধা প্ৰদান কৰাকে ধৰি সকলো দিশত চকু দিয়াটো প্ৰধান শিক্ষকজনৰ গুৰু দায়িত্ব।

**প্ৰাসংগিক পুথি/ উৎসঃ(References)**


1. ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২২ (National Education Policy-2020
2. Effective Teaching and Teacher Education, by Dr. Dipti P. Bhatnagar
3. Guideline and Rubrics – Teacher's self -Assessment by NCERT, New Delhi
4. RFF Elmore, Building a New Structure for School Leadership (Washington DC: Albert Shanker Institute,2000)
5. .J W Little, Norms of collegiality and experimentation: workplace conditions of School Success, American Educational Research Journal, 19:3 (1982) pp325-340
6. I McPhail & AVass, Coaching and Reflecting Pocketbook (Teacher's Pocketbooks: Hampshire, 2006).
7. D Reeves, Leadership and Learning, Monograph Series 43 (AECL, 2008).
8. Gary Bloom's presentation to Ontario Ministry of Education, Toronto, October 19 2007. Available at: http://www.curriculum.org/GaryBloom/files/KeynoteSlides.ppt (accessed 22 May 2011).